**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 08-FEB-2026
**Time :** 0900  Hrs

***Assamese Morning Bulletin***
***Headlines***
------------------------------

১। গৌৰৱ গগৈৰ পাকিস্তানৰে সম্পৰ্ক সন্দৰ্ভত এছ্ আই টিৰ প্ৰতিবেদন কেন্দ্ৰীয় গৃহ মন্ত্ৰ্যালয়লৈ প্ৰেৰণৰ বাবে মন্ত্ৰীসভাৰ সিদ্ধান্ত।
২। অষ্টম দৰমহা আয়োগ গঠনৰ প্ৰস্তাৱত মন্ত্ৰীসভাৰ অনুমোদন।
৩। নিৰ্বাচন আয়োগৰ দলৰ আজি ৰাজ্যিক নিৰ্বাচনী বিষয়া আৰু প্ৰতিখন জিলাৰ আয়ুক্ত, শীৰ্ষ আৰক্ষী বিষয়াৰে বিধানসভা নিৰ্বাচন সন্দৰ্ভত আলোচনা।
৪। শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯৫ সংখ্যক বাৰ্ষিক অধিৱেশনৰ আজি সামৰণি। *আৰু*
৫। টি-টুৱেণ্ট বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত ভাৰতৰ জয়েৰে অভিযান আৰম্ভ। আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিৰুদ্ধে ২৯ ৰানত জয়লাভ।

oooooo

প্ৰদেশ কংগ্ৰেছৰ সভাপতি তথা সাংসদ গৌৰৱ গগৈৰ পাকিস্তানৰ সৈতে সম্পৰ্ক থকা অভিযোগ সন্দৰ্ভত এছ্ আই টিয়ে দাখিল কৰা প্ৰতিবেদন কেন্দ্ৰীয় গৃহ মন্ত্ৰ্যালয়লৈ প্ৰেৰণ কৰাৰ বাবে অসম মন্ত্ৰীসভাই সিদ্ধান্ত গ্ৰহণ কৰিছে। দিছপুৰত কালি অনুষ্ঠিত অসম মন্ত্ৰীসভাৰ এখন বৈঠকত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। বৈঠকৰ অন্তত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰা মতে কেবিনেটত এছ্ আই টিৰ প্ৰতিবেদনখন কালি বিস্তৃতভাৱে আলোচনা কৰা হয়। অধিক গভীৰলৈ গৈ বিষয়টো তদন্ত কৰাৰ বাবে গৃহ মন্ত্ৰ্যালয়লৈ প্ৰেৰণ কৰাৰ বাবে মন্ত্ৰীসভাই সিদ্ধান্ত লোৱা বুলি তেওঁ কয়। ইয়াৰ বাবে অসম চৰকাৰে এছ্ আই টিৰ প্ৰতিবেদন আৰু বিষয়টো সন্দৰ্ভত পঞ্জীয়ন হোৱা গোচৰ দুটা গৃহ মন্ত্ৰ্যালয়লৈ প্ৰেৰণৰ সিদ্ধান্ত লৈছে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে অসম আৰক্ষীৰ এছ্ আই টিয়ে ভালকৈ তদন্ত কৰিছে যদিও স্পৰ্শকাতৰ বিষয়টোৰ ক্ষেত্ৰত সেয়াই যথেষ্ট নহয়। এই তদন্তত ইণ্টাৰপ'ল'ৰ সহায়ৰ প্ৰয়োজন আছে বুলিও তেওঁ কয়। সেয়ে গোচৰটো সম্পৰ্কত অসম চৰকাৰে চাৰ্জছিট দিয়াৰ পৰিৱৰ্তে গোচৰ আৰু এছ্ আই টিৰ তদন্তৰ প্ৰতিবেদন গৃহ মন্ত্ৰ্যালয়ল প্ৰেৰণৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। আজি দিনৰ চাৰে ১০ বজাত মুখ্যমন্ত্ৰী ডঃ শৰ্মাই এখন সংবাদমেল যোগে এছ্ আই টিৰ প্ৰতিবেদনখনৰ বিষয়ে সদৰি কৰিব বুলিও তেওঁ কয়।

**(বাইট ঃ ডঃ শৰ্মা)**

মন্ত্ৰীসভাই গুৱাহাটীত ভাৰতীয় ব্যৱস্থাপনা প্ৰতিষ্ঠান, আই আই এম স্থাপনৰ বাবে ভূমি আৱণ্টত অনুমোদন জনাইছে। একেদৰে  মুখ্যমন্ত্ৰী আত্ম নিৰ্ভৰ অসম অভিযান কাৰ্যকৰী কৰাৰ বাবে ৪০০ কোটি টকাত অনুমোদন জনোৱা হৈছে। জৱাহৰ নবোদয় বিদ্যালয় স্থাপনৰ বাবে নৱোদয় বিদ্যালয়সমিতিক শোণিতপুৰ জিলাৰ চিতলমাৰী আৰু চৰাইদেউ জিলাৰ বৰবৰুৱা খাটত চৰকাৰী ভূমি আৱণ্টনৰ বাবে মন্ত্ৰীসভাই অনুমোদন দিছে। কামৰূপ মহানগৰ জিলাৰ চন্দ্ৰপুৰত পূৰ্বতে আৱণ্টন দিয়া ভূমিৰ বাবে হস্তান্তৰ প্ৰিমিয়াম ৰেহাই দিয়াটো কেবিনেটে অনুমোদন জনাইছে। মন্ত্ৰীসভাৰ বৈঠকত লগতে সৰ্থেবাৰীৰ কৃষ্ণগুৰু আধ্যাত্মিক বিশ্ববিদ্যালয়ৰ নামত পকা মৌজাৰ কুৰিহাৰপামত ১০০ বিঘা ভূমি নিষ্পত্তিৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰা হয়। বৈঠকত চৰকাৰী কৰ্মচাৰীৰ বাবে অষ্টম দৰমহা আয়োগ গঠনৰ প্ৰস্তাৱতো কালি অনুমোদন জনোৱা হয়। ৰাজ্যৰ অৱসৰ প্ৰাপ্ত অতিৰিক্ত মুখ্য সচিব সুভাষ দাসক অধ্যক্ষ, গুৱাহাটী

বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ৰাতুল মহন্তক সদস্য হিচাপে লৈ এই আয়োগ গঠন কৰা হৈছে। কেন্দ্ৰীয় চৰকাৰে অষ্টম দৰমহা আয়োগ গঠনৰ সিদ্ধান্ত গ্ৰহণ কৰাৰ পাছতে অসম চৰকাৰেও এই আয়োগ গঠনৰ সিদ্ধান্ত লৈছে।

**(বাইট ঃ ড০ শৰ্মা)**

০০০০০০

ৰাজ্যৰ সমাগত বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ বুজ লোৱাৰ উদ্দেশ্যে নিৰ্বাচন আয়োগৰ এটা দল কালি দুদিনীয়া ভ্ৰমণসূচীৰে গুৱাহাটীত উপস্থিত হৈছে। উপ-নিৰ্বাচন আয়ুক্ত মণিষ গাৰ্গ নেতৃত্বাধীন চাৰিজনীয়া দলটোৱে আজিৰে পৰা কেইবালানী আলোচনাত মিলিত হ'ব। দলটোৱে প্ৰথমে ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলৰ লগত আলোচনাত মিলিত হ'ব। বৈঠকত অতিৰিক্ত মুখ্য নিৰ্বাচনী বিষয়া দামোদৰ বৰ্মনকে ধৰি কেইবাজনো শীৰ্ষ বিষয়া উপস্থিত থাকিব। এই আলোচনাৰ পাছতে দলটোৱে ৰাজ্যৰ প্ৰতিখন জিলাৰ আয়ুক্ত আৰু নিৰ্বাচনী বিষয়াসকলৰ সৈতেও সমাগত বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতি সম্পৰ্কে বিষদভাৱে আলোচনা কৰিব। দলটোৱে ৰাজ্য চৰকাৰৰ মুখ্যসচিব, আৰক্ষী সঞ্চালক প্ৰধান, অসম আৰক্ষীৰ আইন-শৃংখলা শাখাৰ মহা পৰিদৰ্শক, প্ৰতিখন জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক, কেন্দ্ৰীয় অৰ্ধ সামৰিক বাহিনী, সীমান্ত সুৰক্ষা বাহিনী আৰু অন্য নিৰাপত্তাৰক্ষী সংস্থাসমূহৰ সৈতে সুৰক্ষাৰ বিষয়লৈ আলোচনা কৰিব। ১৭ ফেব্ৰুৱাৰীত মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰ, নিৰ্বাচন আয়ুক্ত ড° সুখবীৰ সিং সান্ধু আৰু ড° বিবেক যোশীৰে গঠিত আয়োগৰ পূৰ্ণাংগ দল অসমলৈ আহি ৰাজ্যখনৰ নিৰ্বাচনী প্ৰস্তুতি পৰ্যালোচনা কৰাৰ লগতে সাম্প্ৰতিক পৰিস্থিতিৰ বুজ ল'ব। দুয়োটা দলে নিৰ্বাচনী প্ৰস্তুতিৰ বুজ লৈ উভতি যোৱাৰ পাছতে নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ সম্ভাৱনা আছে। উল্লেখযোগ্য যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ইতিপূৰ্বে ফেব্ৰুৱাৰীৰ অন্তিম ভাগত নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ সম্ভাৱনাৰ বিষয়ে উল্লেখ কৰিছিল।

০০০০০০

শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯৫ সংখ্যক বাৰ্ষিক অধিৱেশনৰ আজি সামৰণি পৰিব। জামুগুৰিহাটৰ ধলাইবিলৰ জ্যোতি-বিষ্ণু সমন্বয়ক্ষেত্ৰ তিনিদিনীয়াকৈ অনুষ্ঠিত অধিৱেশনৰ আজি অন্তিম দিনটোত ধৰ্ম ধবজ্জা উত্তোলনৰ পাছতে ভাগৱত যাত্ৰা উলিওৱা হ'ব। আজি শ্ৰীমন্ত শংকৰদেৱ সংঘৰ পদাধিকাৰে হংসযানত উঠি শোভাযাত্ৰাত ভাগ ল'ব। দ্বিতীয় দিনটোত কালি ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা অহা হাজাৰ হাজাৰ ভকত বৈষ্ণৱ, আই মাতৃয়ে অংশগ্ৰহণ কৰে। অধিবেশন উপলক্ষে কালি অনুষ্ঠিত মুকলি সভাত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অসমীয়া সমাজ জীৱনলৈ মহাপুৰুষজনাই আগবঢ়োৱা অৱদানক শ্ৰদ্ধাৰে সোঁৱৰণ কৰে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই তেওঁৰ ভাষণত কয় যে শ্ৰীমন্ত শংকৰদেৱে অসমীয়া জাতিক একতাৰ ডোলেৰে বান্ধি ৰাখিবলৈ সমৰ্থ হৈছে। মহাপুৰুষজনাই অসমীয়া জাতিক নতুন প্ৰাণৰ সঞ্চাৰ কৰা বুলিও তেওঁ উল্লেখ কৰে। শ্ৰীমন্ত শংকৰদেৱ সংঘই অসমৰ সমাজ জীৱনৰ উৎকৰ্ষৰ বাবে কাম কৰি আহিছে বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। শংকৰদেৱ বিশ্ববিদ্যালয় প্ৰতিষ্ঠা কৰি শৈক্ষিক আৰু বৌদ্ধিক ক্ষেত্ৰত সংঘই আগবঢ়োৱা বৰঙণিৰ তেওঁ শলাগ লয়। আনহাতে, শ্ৰীমন্ত শংকৰদেৱ সংঘক ২ কোটি টকাৰ অনুদান দিয়াৰ বাবে তেওঁ আশ্বাস প্ৰদান কৰে।

শ্ৰীমন্ত শংকৰদেৱ সংঘৰ অধিৱেশনত কেন্দ্ৰীয় যোগাযোগ ব্যুৰোৰ গুৱাহাটী আঞ্চলিক কাৰ্যালয়ৰ উদ্যোগত তিনিদিনীয়াকৈ বিকশিত ভাৰত শীৰ্ষক সংহত যোগাযোগ আৰু প্ৰচাৰ কাৰ্যসূচীৰ লগতে মাল্টিমিডিয়া প্ৰদৰ্শনীৰ আয়োজন কৰা হয়।

০০০০০০

মেঘালয়ৰ পূব জয়ন্তীয়া পাহাৰ জিলাৰ থাংস্কক' অঞ্চলৰ মিনশ্বিংগাতৰ কয়লা খনিত বিস্ফোৰণৰ ফলত সন্ধানহীন হৈ থকা শ্ৰমিকসকলক উদ্ধাৰৰ বাবে আজি পুৱাৰে পৰা পুনৰ অভিযান চলোৱা হৈছে। ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনী, ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনী, বিশেষ উদ্ধাৰকাৰী দল, আৰক্ষী আৰু জিলা প্ৰশাসনৰ কেইবাটাও দলক উদ্ধাৰ অভিযানত নিয়োগ কৰা হৈছে। উদ্ধাৰ অভিযানৰ সময়ত কালি আৰু দুজন শ্ৰমিকৰ মৃতদেহ উদ্ধাৰ হয়। ইয়াকে লৈ

বিস্ফোৰণৰ ফলত পাহাৰ খহি পৰাৰ ফলত মৃত্যু হোৱা শ্ৰমিকৰ সংখ্যা ২৭ লৈ বৃদ্ধি পাইছে। বিস্ফোৰণৰ ফলত বেয়াকৈ ক্ষতিগ্ৰস্ত খনন স্থানত তন্ন তন্নকৈ তালাচী চলোৱা হৈছে আৰু খনিৰ ভিতৰত যাতে কোনো লোক আবদ্ধ হৈ থকা নাই তাক নিশ্চিত কৰাৰ বাবে আজি পুৱা পুনৰ অভিযান চলোৱা হৈছে। ইপিনে, পূব জয়ন্তীয়া পাহাৰ জিলা প্ৰশাসনে অবৈধ খননৰ বিৰুদ্ধে অভিযান তীব্ৰতৰ কৰি তুলিছে। এই অভিযানৰ বাবে কাৰ্যবাহী দণ্ডাধীশ, আৰক্ষী আৰু খনিজ সম্পদ সঞ্চালকালয় বিষয়াক লৈ গঠিত ৫টা দল নিয়োগ কৰা হৈছে। দল কেইটাই চলোৱা অভিযানৰ সময়ত উমলাৱাঙৰ অন্তৰ্গত ৯টা স্থানৰ প্ৰায় ৩ হাজাৰ ১৯৭ মেট্ৰিক টন আৰু উমথেৰ অন্তৰ্গত চাৰিটা স্থানৰ পৰা ৩৫১ মেট্ৰিক টন কয়লা জব্দ কৰা হৈছে। যোৱা ফেব্ৰুৱাৰীত চলোৱা একে ধৰণৰ অভিযানত ছখেইন- থাংস্কক' সংযোগী পথৰ দুয়োপাৰৰ ৮টা স্থানৰ পৰা আহিলাপাতিসহ ৩ হাজাৰ ৩৫৬ মেট্ৰিক টন কয়লা জব্দ কৰা হৈছিল। তদুপৰি অবৈধ খননৰ বাবে ব্যৱহাৰ কৰা কেইবাটাও অস্থায়ী শিবিৰ চিনাক্ত কৰা হৈছে আৰু অবৈধখনন নিয়ন্ত্ৰণ অভিযানৰ সময়ত এনে শিবিৰসমূহ নষ্ট কৰা হৈছে। অবৈধ খননৰ ঘটনা সংক্ৰান্তত কেইবাখনো এজাহাৰ ৰুজু কৰা হৈছে আৰু পৰৱৰ্তী আইনী ব্যৱস্থা অব্যাহত আছে। পূব জয়ন্তীয়া পাহাৰ জিলাৰ দণ্ডাধীশে জনসাধাৰণৰ সুৰক্ষা সুনিশ্চিত কৰাৰ লগতে অবৈধ খনন বিৰোধী অভিযান সুচল কৰি তোলাৰ স্বাৰ্থত ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ১৬৩ নম্বৰ ধাৰাৰ অধীনত নিষেধাজ্ঞাও জাৰি কৰিছে।

০০০০০০

বিশিষ্ট কবি, পৰিচালক, নাট্যশিল্পী ৰফিকুল হোছেইনৰ কালি নিশা গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৭২ বছৰ। উচ্চ ৰক্তচাপজনিত ষ্ট্ৰ'কত আক্ৰান্ত হৈ শিল্পী হোছেইনে বিগত এসপ্তাহ ধৰি চিকিৎসাধীন হৈ আছিল। ১৯৫৪ চনত গোলাঘাটৰ বোকাখাতত জন্মগ্ৰহণ কৰা ৰফিকুল হোছেইন ৰাজ্যৰ এগৰাকী আগশাৰীৰ প্ৰতিষ্ঠিত কবি, নাট্যকাৰ তথা পৰিচালক আছিল। শৰবিদ্ধ আকাশ, বিষাদ বসন্ত, চাকিৰ ৰংঘৰ, গোপনৰ অন্তেষপুৰ আদি তেওঁৰ উল্লেখযোগ্য কাব্যগ্ৰন্থ। শিল্পীগৰাকীয়ে সাহিত্য আৰু নাটকৰ জগতখনলৈ আগবঢ়োৱা অৱদানৰ বাবে ২০১০ চনত তেওঁক স্বভাৱশিল্পী অমূল্য কাকতি সোঁৱৰণী বঁটাৰে সন্মানিত কৰা হৈছিল। ১৯৯৬ চনত অসম সাহিত্য সভাৰ তিলক চন্দ্ৰ শৰ্মা সোঁৱৰণী নাট্য বঁটা, ২০১৮ চনত শৈলধৰ ৰাজখোৱা বঁটা, ২০১৭ চনত ক্ৰান্তিকাল সাহিত্য সন্মান, অসম নাট্য সন্মিলনৰ সৈনিক শিল্পী ব্ৰজনাথ শৰ্মা বঁটা আৰু অসম নাট্য পৰিষদৰ আলী হাইদৰ নাট্যকাৰ বঁটাৰেও প্ৰয়াত হোছেইনক সন্মানিত কৰা হৈছিল। তেওঁৰ মৃত্যুত সাহিত্য আৰু নাট্য জগতৰ বহু গুণমুগ্ধই শোক প্ৰকাশ কৰে।

০০০০০০

সমাগত বিধানসভা নিৰ্বাচনক লৈ ৰাজনৈতিক দলসমূহৰ তৎপৰতা আৰু সমষ্টি পুনৰ গঠনৰ পাছত নিৰ্বাচনী প্ৰেক্ষাপট সন্দৰ্ভত কালি আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰে। এই অনুষ্ঠানত বিভিন্ন সমষ্টিত ৰাজনৈতিক দলসমূহৰ সম্ভাব্য প্ৰাৰ্থী আৰু অন্যান্য বিষয় সন্দৰ্ভত আকাশবাণীৰ শ্ৰীভূমি, বঙাইগাওঁ, বৰপেটা, গুৱাহাটী মহানগৰ, নগাওঁ আৰু শিৱসাগৰ জিলাৰ সংবাদদাতাসকলে আলোকপাত কৰে। অনুষ্ঠানত অংশ লৈ সাংবাদিক যদুমণি শইকীয়াইও সমষ্টিসমূহৰ নিৰ্বাচনী আলেখ লেখ সন্দৰ্ভত ব্যাখ্যা কৰে। অনুষ্ঠানটোৰ আঁত ধৰে আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে।

০০০০০০

টি-টুৱেণ্ট বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি তিনিখন অনুষ্ঠিত হ'ব। ইয়াৰে চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত হ'বলগীয়া প্ৰথমখন খেলত নিউজিলেণ্ড আফগানিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন দিনৰ ১১ বজাত আৰম্ভ হ'ব। মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত হ'বলগীয়া বিয়লি ৩ বজাত হ'বলগীয়া দ্বিতীয়খন খেলত ইংলেণ্ড নেপালৰ মুখামুখি হ'ব। একেদৰে  সন্ধিয়া ৭ বজাত কলম্বোৰ আৰ প্ৰেমাদাসা ষ্টেডিয়ামত হ'বলগীয়া আজিৰ তৃতীয়খন খেলত শ্ৰীলংকা আয়াৰলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ভাৰতে কালি মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত অনুষ্ঠিত নিজৰ প্ৰথমখন খেলত আমেৰিকা যুক্তৰাষ্ট্ৰক ২৯ ৰানত পৰাস্ত জয়েৰে অভিযান আৰম্ভ কৰে। খেলখনত ভাৰতে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি কৰি নিৰ্ধাৰিত ২০ অভাৰত ৯ উইকেট হেৰুৱাই ১৬১ ৰান সংগ্ৰহ কৰে। ভাৰতৰ হৈ অধিনায়ক সূৰ্য কুমাৰ যাদৱে ৪৯টা বলত ৮৪ ৰান কৰি আউট নোহোৱাকৈ থাকে। তিলক বাৰ্মাই ২৫ আৰু ঈষাণ কিষাণে ২০ ৰানৰ বৰঙণি আগবঢ়ায়। প্ৰত্যুত্তৰত আমেৰিকা যুক্তৰাষ্ট্ৰই ১৬২ ৰানৰ বিজয় লক্ষ্যৰে খেলি নিৰ্ধাৰিত ২০ অভাৰত ৮টা উইকেটৰ বিনিময়ত ১৩২ ৰানহে কৰিবলৈ সমৰ্থ হয়। সূৰ্য কুমাৰ যাদৱক প্লেয়াৰ অৱ দা মেচ হিচাপে ঘোষণা কৰা হয়।

০০০০০০

সদৌ অসম ছাত্ৰ সন্থাৰ এখন সাংগঠনিক কৰ্মী সভা কালি ডিব্ৰুগড় জিলা লাহোৱাল বালিকা বিদ্যালয়ত অনুষ্ঠিত হয়। সদৌ ডিব্ৰুগড় জিলা ছাত্ৰ সন্থাৰ উদ্যোগত আৰু লাহোৱাল আঞ্চলিক ছাত্ৰ সন্থাৰ সহযোগত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত কৰ্মী সভাত ডিব্ৰুগড় জিলাৰ ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক বিতোপন গগৈয়ে আদৰণি ভাষণ দিয়ে। সভাপতি ৰূপজ্যোতি বৰঠাকুৰৰ সভাপতিত্বত অনুষ্ঠিত এই সভাত সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা ড০ সমুজ্জ্বল ভট্টাচাৰ্য, সাধাৰণ সম্পাদক সমীৰণ ফুকনৰ লগতে কেন্দ্ৰীয় সমিতিৰ ভালেসংখ্যক বিষয়ববীয়া উপস্থিত থাকে। চিন্তন, মন্থন, কৰ্ষণেৰে ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক ভৱিষ্যত সুনিশ্চিত কৰা, শৈক্ষিক কাৰ্যসূচীৰ আধাৰত কাম-কাজ আগবঢ়াই লৈ যোৱা, স্থানীয় সমস্যাবোৰ সমাধানৰ ব্যৱস্থা, অসমৰ খিলঞ্জীয়া মানুহৰ ভৱিষ্যত আদি সন্দৰ্ভত এই কৰ্মী সভাত আলোচনা কৰা হয়। এই কৰ্মী সভাত ডিব্ৰুগড় জিলা ছাত্ৰ সন্থাৰ অন্তৰ্গত ১৫ খন আঞ্চলিক ছাত্ৰ সন্থাৰ সহস্ৰাধিক প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে।

০০০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰই ভাৰতৰ সামগ্ৰীৰ ক্ষেত্ৰত আৰোপ কৰা শুল্ক ৫০ শতাংশৰ পৰা ১৮ শতাংশলৈ হ্ৰাসৰ সিদ্ধান্ত কাৰ্যকৰী হোৱা, মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই শ্ৰীমন্ত শংকৰদেৱ সংঘৰ অধিৱেশনত অংশগ্ৰহণ কৰি কৰা বিভিন্ন মন্তব্য, কালি ৰাজ্যিক মন্ত্ৰীসভাৰ বৈঠকত গ্ৰহণ কৰা বিভিন্ন সিদ্ধান্ত, গৌৰৱ গগৈৰ সম্পৰ্কীয় এছ্ আই টিৰ প্ৰতিবেদন দাখিলৰ বাতৰিয়ে আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাত স্থান পোৱা পৰিলক্ষিত হৈছে।

**অসমীয়া প্ৰতিদিন** কাকতে আমেৰিকা যুক্তৰাষ্ট্ৰই ভাৰতৰ সামগ্ৰীৰ ক্ষেত্ৰত আৰোপ কৰা শুল্ক ৫০ শতাংশৰ পৰা ১৮ শতাংশলৈ হ্ৰাসৰ সিদ্ধান্ত কাৰ্যকৰী হোৱাৰ বাতৰিক মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। **আমাৰ অসম** কাকতেও একেটা বাতৰিক ৰুছ তেল নিকিনাৰ প্ৰতিদানত মাৰ্কিন শুল্ক হ্ৰাস ঃ আমেৰিকাৰ বাবে মুকলি হ'ল ভাৰতৰ কৃষিখণ্ড শিৰোনামেৰে প্ৰকাশ কৰিছে।

**নিয়মীয়া বাৰ্তা** কাকতে  শ্ৰীমন্ত শংকৰদেৱ সংঘৰ অধিৱেশনত দিয়া ভাষণত মুখ্যমন্ত্ৰীয়ে বাংলাদেশীৰ ওচৰত আত্মসমৰ্পণ কৰাতকৈ মৃত্যুৰেই শ্ৰেয় বুলি কৰা মন্তব্যক গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে। একেটা বাতৰিক **দৈনিক জনমভূমি** কাকতেও প্ৰথম পৃষ্ঠাত স্থান দিছে।

**দৈনিক অসম** কাকতে সূৰ্য সৌৰজ্বৰত আক্ৰান্ত হোৱা বুলি বিজ্ঞানীসকলে আমেৰিকা মহাকাশ গৱেষণা কেন্দ্ৰ- নাছাসহ বিশ্বৰ বিভিন্ন মহাকাশ কেন্দ্ৰক সতৰ্ক কৰি দিয়াৰ বাতৰি গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

**দৈনিক জনমভূমি** কাকতে বিশিষ্ট কবি, নাট্যকাৰ ৰফিকুল হোছেইনৰ মৃত্যুৰ বাতৰিক আলোকচিত্ৰ সহকাৰে প্ৰকাশ কৰিছে। একেটা বাতৰিক প্ৰায় আটাইকেইখন বাতৰি কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

**অসমীয়া খবৰ** কাকতে ফিল'বাৰীৰ এখন বিদ্যালয়ত শিক্ষকৰ প্ৰহাৰত এগৰাকী সপ্তম শ্ৰেণীৰ ছাত্ৰৰ মৃত্যুৰ বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

**দৈনিক অগ্ৰদূত** কাকতে নিৰ্বাচনী প্ৰস্তুতিৰ বুজ লোৱাৰ বাবে ৰাজ্যত নিৰ্বাচন আয়োগৰ দল উপস্থিত হোৱাৰ বাতৰিক বক্স বাতৰি হিচাপে প্ৰকাশ কৰিছে।

**দি আছাম ট্ৰিবিউন** কাকতে ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰই অন্তৰৰ্তী বাণিজ্য চুক্তিৰ বাবে পৰিকাঠামো বিকশাই তোলাৰ বাতৰিক INDIA-US REACH FRAMEWORK FOR INTERIM TRADE AGREEMENT শিৰোনামেৰে প্ৰকাশ কৰিছে।

**দা ছেণ্টিনেল** কাকতে প্ৰধানমন্ত্ৰী নগৰীয়া আৱাস যোজনাৰ অধীনত অসমত এক লাখ ৪৪ হাজাৰৰো অধিক বাসগৃহৰ নিৰ্মাণকাৰ্য সম্পূৰ্ণ হোৱা এটা বাতৰিক বক্স বাতৰি হিচাপে প্ৰকাশ কৰিছে।

আহক আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাওঁ।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত পুৱাৰ ভাগত ঘন কুঁৱলী পৰাৰ আৰু পাছলৈ বতৰ আংশিকভাৱে ডাৱৰীয়া হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৮ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১৪ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাৰ ঠাই বিশেষে বতৰ শুকান হৈ থকাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

**সমাপ্ত**